## সাহিত্য অকাডেমীৰ পূব মণ্ডল-লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ উদ্যোগ

# 'অসমীয়া সাহিত্যত ৰাষ্ট্ৰীয়তাবাদ আৰু জাতিগত পৰিচয়' শীৰ্ষক বক্তৃতানুষ্ঠান





**প্ৰতিদিন সংবাদ, লখিমপুৰ, ২৪ আগষ্ট** ঃ সাহিত্য অকাডেমীৰ পূব মণ্ডল আৰু লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ উদ্যোগত 'অসমীয়া সাহিত্যত ৰাষ্ট্ৰীয়তাবাদ আৰু জাতিগত পৰিচয়' শীৰ্ষক বক্তৃতানুষ্ঠান ২২ আগষ্টত মহাবিদ্যালয়খনৰ প্ৰাংগণত অনুষ্ঠিত হৈ যায়। শিক্ষানুষ্ঠানখনৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বক্তৃতানুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণ প্ৰসংগত কলকাতাৰ পূব মণ্ডলৰ সাহিত্য অকাডেমীৰ সম্পাদক ড° দেবেন্দ্ৰ কুমাৰ দেবেশে কয় যে সাহিত্য অকাডেমীয়ে বিভিন্ন ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰি ভাৰতৰ সাহিত্যক বৈচিত্ৰময় ৰূপ দিছে। ভাষণ প্ৰসংগত তেওঁ অসমীয়া সাহিত্য-সংস্কৃতিলৈ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ অৱদানে কেনেকৈ জাতিটোক সমৃদ্ধ কৰিছে, সেই সম্পৰ্কে বিশদভাৱে কয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত পৰিচয়জ্ঞাপক ভাষণ প্ৰদান কৰি সাহিত্য অকাডেমীৰ অসমীয়া পৰামৰ্শদাতা বৰ্ডৰ আহ্বায়ক দিগন্তবিশ্ব শৰ্মাই কয় যে জাতীয়তাবাদ এক অৰ্বাচীন ধাৰণা। ব্ৰিটিছৰ ঔপনিৱেশিক শাসনতন্ত্ৰৰ সমাজনীতি বিশ্বই দেখিবলৈ পাইছিল আৰু তাৰ পৰিণতিতে জাতীয়তাবাদী ধ্যান-ধাৰণাই সমগ্ৰ পৃথিৱীতে থা কৰি উঠিছিল। এনে কাৰণতে জাতীয়তাবাদ এটা স্পষ্ট ধাৰণা বুলি আমি দাবী কৰিব নোৱাৰো। ভাষণ প্ৰসংগত তেওঁ ঋষি অৰবিন্দৰ বক্তব্যৰ উদ্ধৃতি দিয়ে। আয়োজক সমিতিৰ আহ্বায়ক অধ্যাপক ভাস্কৰ কছাৰীয়ে পৰিচালনা কৰা অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰে বিশিষ্ট ঔপন্যাসিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে। প্ৰাক্-শংকৰী যুগতো নাইবা শংকৰী সাহিত্যতো জাতীয়তাবাদৰ ৰূপ আছে বুলি মন্তব্য কৰি তেওঁ কয় যে এই সাহিত্যসমূহৰ বেছিভাগেই অনূদিত আছিল যদিও বৃহত্তৰ অসমীয়া জাতি গঠনৰ যি হাবিয়াহ আৰু ৰূপৰেখা সাহিত্যত তাৰ প্ৰতিফলিত হৈছিল। ভাষণ প্ৰসংগত তেওঁ প্ৰথম অসমীয়া উপন্যাস 'মিৰি-জীয়ৰী'ৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ লৈ যোৱাৰ পোষকতা কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যাপিকা ড° হৰিণী পাটোৱাৰী দাসে। উদ্বোধনী অধিৱেশনৰ পিছতে অনুষ্ঠিত প্ৰথম কাৰ্যকৰী আলোচনাচক্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক সত্যকাম বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। আলোচনাচক্ৰত দৈনিক অসম কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক দেৱব্ৰত দেৱশৰ্মা আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই বিষয়বস্তু সন্দৰ্ভত গৱেষণাপত্ৰ উপস্থাপন কৰে। সাহিত্য অকাডেমীৰ অসমীয়া পৰামৰ্শদাতা বৰ্ডৰ সদস্য ড° মৃদুস্মিত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত দ্বিতীয় কাৰ্যকৰী অধিৱেশনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা জ্যোতিস্মিতা শৰ্মা আৰু লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপিকা ড° শিল্পা দত্তই গৱেষণা পত্ৰপাঠ কৰে। অনুষ্ঠানত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপিকা ড° শিখামণি বৰগোহাঞিৰ গল্প সংকলন 'আবেলি বেলিৰ ৰং' উন্মোচন কৰে ঔপন্যাসিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে।